# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-09-2026
**Time :** 2125 PM

## *Assamese Night Bulletin*

-------------------

00000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব  শৰ্মাই আজি ঝাৰখণ্ডৰ দেওঘৰত বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্ট হাস্পতালৰ শুভ উদ্বোধন কৰে। ৭৫০খন বিছনাযুক্ত এই অত্যাধুনিক হাস্পতালে অঞ্চলটোৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। বাবা বৈদ্যনাথলৈ শ্ৰদ্ধা নিবেদন কৰি আৰম্ভ কৰা ভাষণত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্ট আৰু পি ডি হিন্দুজা হাস্পতাল এণ্ড মেডিকেল ৰিছাৰ্চ চেণ্টাৰৰ যৌথ উদ্যোগত হাস্পতালখন আৰম্ভ কৰা হৈছে। ইয়াত পৰৱৰ্তী সময়ত মেডিকেল কলেজো নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে হাস্পতালখনে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকক চিকিৎসা সেৱা প্ৰদানত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। ২০০৬ চনৰ পৰা প্ৰায় ১৫ বছৰ কাল অসমৰ স্বাস্থ্য মন্ত্ৰীৰ দায়িত্ব পালন কৰাৰ অভিজ্ঞতা সুঁৱৰি ড০ শৰ্মাই কয় যে এখন হাস্পতালৰ সফলতাৰ আঁৰত হাস্পতালখনৰ স্থাপত্যৰো গুৰুত্বপূৰ্ণ ভূমিকা থাকে। আজি উদ্বোধন কৰা হাস্পতালখনৰ আই চি ইউ, জৰুৰীকালীন ইউনিট, সাধাৰণ ৱাৰ্ডৰ পৰা আৰম্ভ কৰি সকলো সুবিধাত সন্তুষ্টি প্ৰকাশ কৰি তেওঁ কয় যে ২০১৪ চনৰ পাছত দেশত চিকিৎসা শিক্ষাই যথেষ্ট অগ্ৰগতি লাভ কৰিছে।

00000

ৰাজ্য চৰকাৰৰ দক্ষতা, নিযুক্তি আৰু উদ্যমিতা, ক্ৰীড়া, যুৱ কল্যাণ আদি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ পৌৰোহিত্যত আজি জনতা ভৱনত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত দক্ষতা, নিযুক্তি আৰু উদ্যমিতা বিভাগৰ অধীনস্থ নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকালয়ৰ নিয়োগ শাখাৰ কাম-কাজৰ পৰ্যালোচনা কৰা হয়। লগতে পূৰ্বৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ দ্বৈত বিভাজন আৰু বিভাগটোৰ পুনৰগঠন সম্পৰ্কীয় নীতি-নিয়মৰ বিষয়েও আলোচনা কৰা হয়। বৈঠকত এটা নতুন বৈদেশিক সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ প্ৰস্তাৱকে ধৰি কেইবাটাও নতুন পদক্ষেপৰ পৰ্যালোচনা কৰা হয়। এই পদক্ষেপসমূহৰ ভিতৰত গুৱাহাটীৰ এটা গোলকীয় দক্ষতা কেন্দ্ৰ আৰু শিলচৰ, বঙাইগাঁও তথা ডিব্ৰুগড়ত উপগ্ৰহীয় গোলকীয় দক্ষতা কেন্দ্ৰ স্থাপনৰ বিষয়ে আলোচনা কৰা হয়।

000000

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ইভিএমৰ দ্বিতীয় পৰ্যায়ৰ যাদৃচ্ছিকীকৰণ আজি সম্পন্ন হয়। নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত দুয়োখন নিৰ্বাচনী জিলাৰ বাবে এই প্ৰক্ৰিয়া নগাঁও জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। যাদৃচ্ছিকীকৰণ প্ৰক্ৰিয়াত নিৰ্বাচনী সাধাৰণ পৰ্যবেক্ষক আৰু ৰাষ্ট্ৰীয় তথা ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি উপস্থিত থাকে। উল্লেখযোগ্য যে ইভিএমসমূহত ভোটগ্ৰহণ কেন্দ্ৰৰ নম্বৰ সংযোজন কৰা হৈছে আৰু নগাঁও আৰু মৰিগাঁও দুয়োখন জিলাতে ভোটগ্ৰহণ কেন্দ্ৰভিত্তিক ইভিএমসমূহৰ পৃথকীকৰণৰ কাম চলি আছে।

উল্লেখযোগ্য যে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান  অব্যাহত আছে। ৰাজনৈতিক দলসমূহে সমষ্টিটোৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলাই ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলাইছে।    বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ হৈ আজি মন্ত্ৰী তথা তাৰকা প্ৰচাৰকে নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী পীযুষ হাজৰিকাই ৰহা বিধানসভা সমষ্টিৰ ঘাঁহি মুকলি মঞ্চত আয়োজিত প্ৰচাৰ সভাত অংশ লয়। মন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ দৰে ভৱিষ্যতেও ৰাইজৰ কল্যাণৰ বাবে সমৰ্পিত মনোভাৱেৰে কাম কৰিবলৈ সংকল্পবদ্ধ বুলি উল্লেখ কৰি কংগ্ৰেছৰ দীঘলীয়া শাসন কালৰ সমালোচনা কৰে। বৰ্তমান সময়ত চৰকাৰৰ বিভিন্ন

উন্নয়নমূলক আঁচনিৰ জৰিয়তে জনসাধাৰণ উপকৃত হৈছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীহাজৰিকাই ৰহাৰ কাকমাৰী মুকলি মঞ্চত আন এখন নিৰ্বাচনী সভাতো অংশ লয়। কংগ্ৰেছৰ প্ৰাৰ্থী শিৱামণি বৰাৰ সমৰ্থনতো বিভিন্ন স্থানত প্ৰচাৰ চলোৱা হৈছে।

০০০০০

চৰাইদেউত আজিৰে পৰা নিবনুৱা যুৱক-যুৱতীসকলৰ সহায়ক হোৱাকৈ ৪০-দিনীয়া মেটেকা শিল্পৰ দক্ষতা বিকাশ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হৈছে। চৰাইদেউ জিলাৰ মাহমৰা সমজিলা প্ৰশাসনৰ উদ্যোগত, অসম দক্ষতা বিকাশ অভিযানৰ সহযোগত আৰু নুমলীগড় ৰিফাইনেৰী লিমিটেডৰ সামাজিক দায়বদ্ধতা আঁচনিৰ পুঁজিৰ অনুদানেৰে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত সমজিলা আয়ুক্ত দিনচেংফা বৰুৱা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মেটেকা শিল্পৰ অভিজ্ঞ প্ৰশিক্ষক উৎপল দত্তই যুৱক-যুৱতীসকলক প্ৰশিক্ষণ প্ৰদান কৰিব।

০০০০০

ডিফু থানাৰ অন্তৰ্গত ডিফু-মাঞ্জা পথৰ বিৰলাত আজি বিদ্যুৎস্পৃষ্ট হৈ এগৰাকী কিশোৰীসহ দুজন লোকৰ মৃত্যু হয়। আৰক্ষী সূত্ৰই জনোৱা মতে মণ্ডল ইংহি নামৰ ব্যক্তিজনে ঘৰত বিদ্যুৎ মেৰামতি কৰি থকাৰ সময়তে দুৰ্ভাগ্যজনক ঘটনাটো সংঘটিত হয়। চুম্বি টেৰণপী নামৰ কিশোৰীগৰাকীয়ে মণ্ডল ইংহিক বিদ্যুৎ মেৰামতিৰ কামত সহায় কৰি আছিল। সেই সময়তে মণ্ডল ইংহি বিদ্যুৎস্পৃষ্ট হোৱাত কিশোৰীসহ দুয়োজন লোকে মৃত্যুক সাৱটি লয়।

০০০০০

ওদালগুৰি জিলাৰ ওৰাং আৰক্ষীয়ে আজি গোপন সূত্ৰৰ পম খেদি ওৰাঙৰ বেগেনাবাৰীত অতৰ্কিতে অভিযান চলাই এখন মালবাহী ই-ৰিক্সাৰ পৰা প্ৰায় ২ কোটি টকাৰ ভাং জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে দিনৰ ২ বজাত ওৰাং আৰক্ষীৰ উপ-পৰিদৰ্শক জিতুমণি কলিতাৰ নেতৃত্বত যোৱা এটা দলে নিৰ্দিষ্ট তথ্যৰ ভিত্তিত তালাচী চলাই ই-ৰিক্সাখনৰ পৰা ৪ কুইণ্টল ৮০ কিলোগ্ৰাম ভাং জব্দ কৰিবলৈ সক্ষম হয়। অৱশ্যে আৰক্ষীক দেখি ৰিক্সাত অহা সৰবৰাহকাৰী দুজন দূৰৰ পৰাই পলাই যাবলৈ সক্ষম হয়।

০০০০০

সমাপ্ত